# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে বৈঠকত মিলিত হ'ব।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত জি এছ টি পৰিষদৰ ৫৩ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অসৎ পন্থা অৱলম্বন কৰাৰ ঘটনা আৰু অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এখন কঠোৰ আইন প্ৰণয়ন কৰিছে।

৪। জুনত হ'বলগীয়া সংযুক্ত চি এছ আই আৰ ইউ জি চি নেট পৰীক্ষা অনিবাৰ্য কাৰণবশতঃ পিছুৱাই দিয়া হৈছে।

*আৰু*

৫। ভাৰত আজি আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক নতুন গতি প্ৰদানৰ উদ্দেশ্যে বিভিন্ন বিষয় লৈ আলোচনা কৰিব। ভাৰত আৰু বাংলাদেশে বিভিন্ন বিষয়ত কেইবাখনো চুক্তি স্বাক্ষৰ কৰিব। শ্ৰীমতী হাছিনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক দেখা কৰাৰ কথা আছে।

বিদেশ মন্ত্ৰী ডˆ এছ জয়শকংৰে কালি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। ডˆ এছ জয়শংকৰে সামাজিক মাধ্যম যোগে কৈছে যে, শ্ৰীমতী হাছিনাৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ আৰু স্থায়ী সম্পৰ্কৰ কথাকে প্ৰতিফলিত কৰে।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত জি এছ টি পৰিষদৰ ৫৩ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব। এয়া হ'ব নতুন চৰকাৰ গঠনৰ পাছত পৰিষদৰ প্ৰথমখন বৈঠক। ইয়াৰ পূৰ্বে যোৱা ৭ অক্টোবৰত জি এছ টি পৰিষদৰ অন্তিমখন বৈঠক অনুষ্ঠিত হৈছিল।

ooooo

সংযুক্ত বৈজ্ঞানিক আৰু উদ্যোগিক গৱেষণা পৰিষদ-বিশ্ববিদ্যালয় অনুদান আয়োগ ৰাষ্ট্ৰীয় যোগ্যতা পৰীক্ষা CSIR UGC NET 2024 অনিবাৰ্য কাৰণবশতঃ পিছুৱাই দিয়া হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA কৈছে, যে ২৫ জুন আৰু ২৭ জুনৰ ভিতৰত পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছিল। আনুষ্ঠানিক ৱেবচাইটযোগে পৰীক্ষাৰ সংশোধিত সময়সূচী পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব। যিকোনো প্ৰশ্ন আৰু স্পষ্টীকৰণৰ বাবে পৰীক্ষাৰ্থীসকলক ০১১-৪০৭৫ ৯০০০ বা ০১১-৬৯২২-৭৭০০ নম্বৰত ফোন কৰিবলৈ অথবা csirnet@nta.ac.in ত লিখিবলৈ পৰামৰ্শ দিয়া হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অসৎ পন্থা অৱলম্বন কৰাৰ ঘটনা আৰু অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এখন কঠোৰ আইন প্ৰণয়ন কৰিছে। এই আইনখনত দোষীসকলক সৰ্বাধিক ১০ বছৰ কাৰাদণ্ডৰ শাস্তি আৰু ১ কোটি টকা পৰ্যন্ত জৰিমণা বিহাৰ ব্যৱস্থা কৰা হৈছে। কৰ্মচাৰী মন্ত্ৰালয়ৰ আনুষ্ঠানিক ৰাজপত্ৰ অধিসূচনা যোগে এই আইনৰ ব্যৱস্থাসমূহ কালিৰে পৰা প্ৰযোয্য হৈছে। সাৰ্বজনীন পৰীক্ষা অসৎ পন্থা নিয়ন্ত্ৰণ বিধেয়ক ২০২৪, ৬ ফেব্ৰুৱাৰীত লোকসভা আৰু ৯ ফেব্ৰুৱাৰীত ৰাজ্যসভাত গৃহীত হৈছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ১২ ফেব্ৰুৱাৰীত বিধেয়কখনত অনুমোদন জনাইছিল। কেন্দ্ৰীয় লোকসেৱা আয়োগ, কৰ্মচাৰী চয়ন আয়োগ, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, ৰে'লৱে নিযুক্তি পৰিষদ, বেংক নিযুক্তি পৰীক্ষা নিকায় আৰু অন্য সংস্থাই আয়োজন কৰা পৰীক্ষাসমূহত অসৎ পন্থা নিয়ন্ত্ৰণৰ উদ্দেশ্যে এই আইনখন প্ৰস্তুত কৰা হৈছে। আইনখনত প্ৰৱঞ্চনাৰ ঘটনা ৰোধ কৰাৰ বাবে কমেও ৩ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থ কৰা হৈছে। ইয়াৰ উপৰি প্ৰৱঞ্চনাৰ সংগঠিত অপৰাধৰ সৈতে জড়িতসকলক ৫ৰ পৰা ১০ বছৰ কাৰাদণ্ড আৰু কমেও ১ কোটি টকাৰ জৰিমণা বিহাৰ ব্যৱস্থা আইনখনত অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক জামিন প্ৰদান কৰিবলৈ বিচাৰ আদালতে প্ৰদান কৰা নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদন সন্দৰ্ভত দিল্লী উচ্চ ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি বিচাৰ আদালতৰ নিৰ্দেশ স্থগিত ৰাখিছে। সুৰা কেলেংকাৰীৰ এটা গোচৰত অভিযুক্ত আপৰ মুৰব্বীগৰাকীৰ জামিন চূড়ান্ত ৰায়দান ঘোষণা নোহোৱা পৰ্যন্ত স্থগিত ৰখা হৈছে। উচ্চ ন্যায়ালয়ে অধিবক্তাক সোমবাৰৰ ভিতৰত লিখিত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে নিজৰ আবেদনত উল্লেখ কৰিছে যে, শুনানিৰ পৰ্যাপ্ত সুযোগ নিদিয়াকৈয়ে পৰহি কেজৰিৱালক নিয়মীয়া জামিন প্ৰদানৰ নিৰ্দেশ গৃহীত কৰা হৈছিল। কেজৰিৱালৰ অধিবক্তা বিক্ৰম চৌধাৰীয়ে এই সন্দৰ্ভত আপত্তি দৰ্শাই কয় যে, বিচাৰ আদালতৰ ন্যায়াধীশে বিশদ আদেশৰ জৰিয়তেহে জামিন মঞ্জুৰ কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি

মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চৌপাশৰ এলেকাসমূহত ঘূৰ্ণী বতাহ সৃষ্টি কৰিব পৰা পৰিসঞ্চৰণ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিছে। ইয়াৰ প্ৰভাৱত পৰৱৰ্তী ৪ দিনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ হিমালয়ৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কেৰালাৰ উপকূলভাগ, কৰ্ণাটকৰ দক্ষিণ প্ৰান্তৰ দুৰ্গম এলেকা আৰু কংকণ গোৱাতো ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, যোগ ভিন্ন সংস্কৃতি আৰু পৃষ্ঠভূমিৰ লোকক ঐক্যবদ্ধ কৰি একতা সৃষ্টিকাৰী শক্তিৰূপে পৰিগণিত হৈছে। যুৱ প্ৰজন্মই যোগ অভ্যাসৰ সত্ৰত প্ৰৱল আগ্ৰহেৰে অংশগ্ৰহণ কৰাটো আনন্দৰ কথা বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কালি সামাজিক মাধ্যম যোগে কয় যে, সমগ্ৰ বিশ্বতে দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস অতি উৎসাহেৰে ব্যাপক পৰিসৰত উদযাপিত হৈছে। তেওঁ লগতে যোগৰ প্ৰসাৰৰ বাবে ব্যক্তি তথা সংস্থা আৰু সম্প্ৰদায়সমূহক ধন্যবাদ জ্ঞাপন কৰে। যোগাভ্যাসক জনপ্ৰিয় কৰি তোলাৰ বাবে কাম কৰি থকা সকলোৰে শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে, এই প্ৰচেষ্টাসমূহ একতা আৰু সমন্বয়ৰ এনাজৰী সুদৃঢ় কৰাত যুগান্তকাৰী ৰূপে পৰিগণিত হ'ব। তেওঁ লগতে যোগাভ্যাস কৰা লোকৰ বৰ্ধিত সংখ্যাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। যোগে অনাগত সময়ত বিশ্বক ঐক্যবদ্ধ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে কামনা কৰে।

০০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থা NIAএ মানৱ সৰবৰাহ আৰু চাইবাৰ জালিয়াতিৰ আন্তঃৰাষ্ট্ৰীয় চক্ৰৰ সৈতে সম্পৰ্ক থকা এটা গোচৰত কালি দুগৰাকী বিদেশী নাগৰিকসহ মুঠ পাঁচজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। এন আই এৰ মুম্বাইস্থিত বিশেষ আদালতত দাখিল কৰা অভিযোগনামাত এই গোচৰত কেইবাজনো বিদেশী নাগৰিক জড়িত থকাৰ কথা উল্লেখ কৰা হৈছে। সংস্থাটোৰ অনুসন্ধান অনুসৰি কম্পিউটাৰ আৰু ইংৰাজী ভাষাত দখল থকা ভাৰতীয় যুৱক-যুৱতীসকলক এই চক্ৰটোৱে লক্ষ্য কৰি লৈছিল আৰু আৰ্থিক প্ৰলোভন দি প্ৰৱঞ্চনামূলক কল চেণ্টাৰত কাম কৰিবলৈ বাধ্য কৰাইছিল। যুৱক-যুৱতীসকলক প্ৰথমে ফেচবুক, টেলিগ্ৰাম, ক্ৰিপ্টোকাৰেন্সী আৰু প্ৰৱঞ্চক চক্ৰটোৱে নিৰ্মাণ কৰা

কিছুমান এপ পৰিচালনাৰ প্ৰশিক্ষণ দিয়া হয়। সংস্থাটোৰ মতে, অভিযোগনামা দাখিল কৰা অভিযুক্তসকলৰ ভিতৰত দুজন গ্ৰেপ্তাৰ হোৱাৰ বিপৰীতে আন তিনিজন এতিয়াও পলাতক অৱস্থাত আছে।

০০০০০০

অষ্ট্ৰিয়াই যোৱানিশা বাৰ্লিনৰ অলিম্পিয়াষ্টেডিয়নত অনুষ্ঠিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ এখন সংঘৰ্ষপূৰ্ণ খেলত পোলেণ্ডক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। কালিৰ পৰাজয়ৰ পাছত পোলেণ্ডৰ পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰাৰ আশা ক্ষীন হৈ পৰিছে। উল্লেখযোগ্য যে, দলটো নিজৰ প্ৰথমখন খেলত নেডাৰলেণ্ডৰ হাতত পৰাভূত হৈছিল।

০০০০০

ভাৰত আজি এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত সম্প্ৰতি ব্ৰীজটাউনত অনুষ্ঠিত ছুপাৰ-এইট পৰ্যায়ৰ ষষ্ঠখন খেলত ৱেষ্ট ইণ্ডিজ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ **পৰলৈকে ২ অভাৰত এটা উইকেট হেৰুৱাই ১০ ৰান সংগ্ৰহ কৰি খেলি আছিল।**

ইপিনে, দক্ষিণ আফ্ৰিকাই কালি ছেইণ্ট লুছিয়াত অনুষ্ঠিত ছুপাৰ-এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত ইংলেণ্ডক ৭ ৰানত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডে ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৬ ৰানহে কৰিবৈল সমৰ্থ হয়। ইংলেণ্ডৰ হৈ হেৰী ব্ৰুকে ৩৭টা বলত ৫৩ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডা আৰু কেশৱ মহাৰাজে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৩ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কুইণ্টন ডি ক'কে ৩৭টা বলত ৫৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ জোফ্ৰা আৰ্চাৰে তিনিটা উইকেট দখল কৰে। কুইণ্টন ডি ক'কক প্লেয়াৰ অব মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

ভাৰতৰ অংকিতা ৰাইনা ডব্লিউ টি এ ভেনেটো অপেন টেনিছ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। অংকিতা কালি ইটালীৰ গেইবাত অনুষ্ঠিত প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ছুইজাৰলেণ্ডৰ ছুছান বেণ্ডেকিৰ হাতত ৪-৬, ৭-৬, ৩-৬ ছেটত পৰাজিত হয়।

০০০০০

**সমাপ্ত**